

৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মন্ত্রীপৰিষদৰ আলোচ্য বিষয়সূচী প্ৰস্তুত আৰু ইয়াৰ খতিয়ান আৰু তথ্যপাতি সংৰক্ষণ কৰা আৰু মন্ত্রীপৰিষদৰ সিদ্ধান্ত মৰ্মে প্ৰশাসনীয় মন্ত্রী দপ্তৰ আৰু বিভাগে গ্ৰহণ কৰা উন্নয়নমূলক কাম-কাজৰ গতি নিৰীক্ষন কৰা।

(খ) মন্ত্রীপৰিষদৰ সিদ্ধান্তসমূহ ৰূপায়নৰ অৱস্থাৰ খবৰ ৰখা, মন্ত্রীপৰিষদৰ সচিবালয়ে বিভিন্ন মন্ত্রী দপ্তৰ আৰু বিভাগসমূহৰ পৰা তথ্যপাতি বিচাৰিব পাৰে যিবোৰ কেবিনেট বা মন্ত্রীপৰিষদৰ সভাত গৃহীত কৰণৰ বাবে দাঙি ধৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) প্ৰধানমন্ত্রীৰ সেৱাবিধিৰ অধীনত প্ৰধানমন্ত্রীলৈ অহা যিকোনো প্ৰসংগ তদাৰক কৰা।

(খ) মুখ্য কাৰ্যবাহী হিচাপে প্ৰধানমন্ত্রীৰ দায়বদ্ধতা ৰেহাই দিয়া, প্ৰধানমন্ত্রীৰ আগ্ৰহ অনুসৰি কেন্দ্রীয় মন্ত্রী দপ্তৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত সমন্বয় স্থাপন কৰা।



৫.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কোনজন ভাইচৰয়ে কাৰ্যবাহী পৰিষদৰ সভাসমূহত তেওঁৰ কাযত ব্যক্তিগত সচিবক ৰাখি সভা চলোৱাৰ নিয়ম আৰম্ভ কৰিছিল?

প্ৰশ্ন ২ ঃ মন্ত্রী পৰিষদৰ সচিবালয়ৰ মুৰব্বী কোন?

প্ৰশ্ন ৩ ঃ মন্ত্রী পৰিষদৰ সচিবালয়ৰ মূল কাম কি?

প্ৰশ্ন ৪ ঃ RAW ৰ সম্পূৰ্ণ অৰ্থ কি?

প্ৰশ্ন ৫ ঃ মন্ত্রী পৰিষদৰ মূল বিভাগৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাত প্ৰধানমন্ত্রী কাৰ্যালয়ৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মন্ত্রীপৰিষদৰ সচিবালয়ৰ গাঁঠনি ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মন্ত্রীপৰিষদৰ সচিবালয়ৰ মুখ্য কাৰ্যাৱলী কি কি? ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাত

মন্ত্রীপৰিষদৰ সচিবালয় ব্রিটিছ ঔপনিৱেশিক উত্তাৰাধিকাৰ বুলি ভাবেনে যুক্তি দৰ্শাই আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাৰতৰ মন্ত্রী পৰিষদৰ সচিবালয়ৰ বিকাশ সম্পৰ্কে এটা চমুটোকা লিখক? বিভিন্ন বিভাগৰ ভূমিকাৰ বিশেষ প্রসংগৰে ইয়াৰ প্রশাসনীয় গাঁথনি আলোচনা কৰক।

*** ***** ***